**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 02-04-2026 **Time :** 1100 Hrs.

0000000000

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে তাৰকা প্ৰচাৰকক লৈ প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি দুখন নিৰ্বাচনী সভাত ভাগ লয়। **ধেমাজিৰ গোগামুখ** আৰু বিশ্বনাথৰ বিহালীত দুখন নিৰ্বাচনী সভাত অংশ লৈ শ্ৰীমোদীয়ে বিজেপিৰ বাবে দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ কল্যাণ অগ্ৰাধিকাৰৰ বিষয় বুলি দাবী কৰে। প্ৰধানমন্ত্ৰীয়ে ৰাজ্যৰ চাহ উদ্যোগে বিশ্বৰ প্ৰেক্ষাপটত তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰে বুলি মন্তব্য কৰে। তেওঁ চাহ উদ্যোগৰ লগত জড়িত প্ৰতিজন ব্যক্তিৰ উন্নয়নৰ বাবে দলটো দায়বদ্ধ বুলি নিৰ্বাচনী সভাত দাবী কৰে। প্ৰধানমন্ত্ৰীগৰাকী অহা ৬ এপ্ৰিলত মৰাণ, বৰপেটাৰোড আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

দলটোৰ হৈ প্ৰচাৰ চলাবলৈ আজি জ্যেষ্ঠ বিজেপি নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হ'ব। শ্ৰীশ্বাহে আজি বিয়লি অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ নগাঁও জিলাৰ কলিয়াবৰ বিধানসভা সমষ্টিৰ মিছা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এখন নিৰ্বাচনী সভাত ভাগ ল'ব। শ্ৰীশ্বাহে কাইলৈ পুৱা গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰী জিলাৰ ৰাটিয়াদহাৰ মেলা ময়দানত আয়োজিত আন এখন প্ৰচাৰ সভাত অংশ ল'ব। ইয়াৰ পাছত শ্ৰীশ্বাহে কাইলৈ দুধনৈ আৰু পলাশবাৰীত আন দুখন নিৰ্বাচনী সভাত ভাষণ দিব।

প্ৰধান বিৰোধী দল কংগ্ৰেছেও ব্যাপক নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰা দেখা গৈছে। দলটোৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে দেৱব্ৰত শইকীয়া, লুৰীণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ কালি নাজিৰা, খোৱাং আৰু টিংখাঙত প্ৰচাৰ চলায়। নিৰ্বাচনী প্ৰচাৰত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে শাসনাধিষ্ঠিত বিজেপি চৰকাৰক কঠোৰ সমালোচনা কৰে। খোৱাঙত বিৰোধী নেত্ৰীগৰাকীৰ সৈতে অসম জাতীয় পৰিষদৰ নেতা লুৰীণজ্যোতি গগৈ আৰু ৰাইজৰ দলৰ অখিল গগৈয়ে বিৰোধী ঐক্যমঞ্চৰ হৈ প্ৰচাৰ চলায়।

কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে আজি বিৰোধী ঐক্যমঞ্চৰ হৈ বোকাজান আৰু তিতাবৰত প্ৰচাৰ চলাব। এদিনীয়া কাৰ্যসূচীৰে ৰাজ্যলৈ আহিবলগীয়া লোকসভাৰ বিৰোধী দলপতিগৰাকীয়ে ডিমাপুৰ বিমানবন্দৰত পুৱাৰ ভাগতে অৱতৰণ কৰি কাৰ্বি আংলং জিলাৰ বোকাজানত উপস্থিত হৈ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব বুলি অসম প্ৰদেশ কংগ্ৰেছ সমিতিয়ে জানিবলৈ দিছে। ইয়াৰ পাছত বিয়লি নেতাগৰাকীয়ে তিতাবৰত উজনি অসমৰ ভোটাৰসকলক উদ্দেশ্য কৰি এখন প্ৰচাৰ সভাত অংশ ল'ব।

বাক্সা জিলাত মানাহ বিধানসভা সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থী অঞ্জন তালুকদাৰৰ উপস্থিতিত দলটোৰ ৰাজ্যিক উপ-সভাপতি হৰেশ্বৰ বৰ্মনে এটা নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। কাৰ্যালয় মুকলি কৰি দিয়া ভাষণত শ্ৰীবৰ্মনে শাসকীয় দল বিজেপিৰ বি টি চি উন্নয়নৰ দাবী ভুৱা বুলি উল্লেখ কৰি দলটোক তীব্ৰ সমালোচনা কৰে। ধুবুৰীত প্ৰদেশ কংগ্ৰেছৰ ১১ জন সদস্যক দল বিৰোধী কাৰ্যকলাপৰ অভিযোগত ৬ বছৰৰ কাৰণে বহিষ্কাৰ কৰা

হৈছে। নিৰ্বাচনলৈ মাত্ৰ এটা সপ্তাহ বাকী থকা অৱস্থাত প্ৰদেশ কংগ্ৰেছৰ নেতৃবৃন্দই এই ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলি দলটোৰ জিলা কাৰ্যকৰ্তা সকলে জানিবলৈ দিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নতুন দিল্লীত থকা বাসগৃহত কালি সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। বৈঠকত পশ্চিম এছিয়াৰ সাম্প্ৰতিক সংঘাতৰ সময়ত বিভিন্ন মন্ত্ৰালয় আৰু বিভাগে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ পৰ্যালোচনা কৰা হয়। বৈঠকত প্ৰধানমন্ত্ৰীয়ে জটিল সময়ত জনসাধাৰণৰ প্ৰয়োজনীয় সামগ্ৰীসমূহৰ উপলব্ধতাৰ খতিয়ান লয়। তেওঁ লগতে খাৰিফ আৰু ৰবি শস্যৰ বাবে দেশত সাৰৰ উপলব্ধতা নিশ্চিত কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বুজ লয়। জনসাধাৰণক বৰ্তমানৰ সংঘাতৰ প্ৰভাৱৰ পৰা মুক্ত কৰি ৰাখিবলৈ সকলো প্ৰচেষ্টা অব্যাহত ৰখাৰ বাবেও শ্ৰী মোদীয়ে সংশ্লিষ্টসকললৈ নিৰ্দেশ দিয়ে। বৈঠকত কৃষি, সাৰ, জাহাজ তথা বিমান পৰিবহণ আদি ক্ষেত্ৰসমূহৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰা হয়। কালিৰ বৈঠকত কেবিনেট সচিবে পেট্ৰ'লিয়ামজাত সামগ্ৰী, বিশেষকৈ এল পি জি আৰু এল এন জিৰ যোগান শৃংখল নিশ্চিত কৰিবলৈ হাতত লোৱা প্ৰচেষ্টাসমূহৰ বিষয়েও প্ৰধানমন্ত্ৰীক অৱগত কৰে।

বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই দেশত ইন্ধনৰ যোগান নিয়মীয়া কৰি ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে।

(বাইট)

ooooooo

উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ছেমুৱেল ছাংছেনৰ কালি সন্ধিয়া গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। তেওঁৰ মৃত্যুত সমগ্ৰ জিলাখনতে শোকৰ ছাঁ পৰিছে। পৰিষদৰ চিকিৎসা বিভাগৰ দায়িত্বত থকা ছাংছেন সমাজৰ কল্যাণৰ বাবে আগবঢ়োৱা সেৱাৰ বাবে জনপ্ৰিয় আছিল। পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱোলাল গাৰ্লোছাই তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিষদ তথা জিলাখনৰ বাবে তেওঁৰ মৃত্যু অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰে।

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাৰ মাজত সজাগতা বৃদ্ধি আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াত অংশগ্ৰহণ সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰে যোৰহাট নিৰ্বাচনী জিলাৰ চুইপ কাৰ্যসূচীৰ অধীনত যোৱা নিশা যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। কাজিৰঙা বিশ্ববিদ্যালয়, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়, দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়, চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয় আৰু যোৰহাট মহাবিদ্যালয়ৰ দৰে বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে এই কাৰ্যসূচীত নৃত্য আৰু নাটক প্ৰদৰ্শন কৰি ভোটদাতাৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ চেষ্টা কৰে। ইয়াৰ লগতে এই কাৰ্যসূচীৰ অংশ স্বৰূপে যোৰহাট নিৰ্বাচনী জিলাত চুইপ অভিযানৰ অধীনত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত জয় শিৱানী, চুইপ কুশল ভাৰপ্ৰাপ্ত বিষয়া সিন্ধু এন ৰাঘবন আৰু বিভিন্ন শিক্ষানুষ্ঠানসমূহৰ মুৰব্বীকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooooo

**সমাপ্ত**